# একত্ৰীকৃত অম্বুডছমেন আঁচনি 2021ৰ উল্লেখযোগ্য বৈশিষ্ট্যসমূহ

ভাৰতীয় ৰিজাৰ্ভ বেংকে 12 নৱেম্বৰ, 2021 চনত একত্ৰীতকৃত অম্বুডছমেন্ট আচঁনি আৰম্ভ কৰিছে।

এই আঁচনিৰ কিছুমান বৈশিষ্ট্য হ'ল এনেধৰণৰ:

- আৰবিআইত (RBI) যিকোনো ভাষাত অভিযোগ গ্ৰহণ আৰু প্ৰাৰম্ভিক প্ৰক্ৰিয়াকৰণৰ বাবে এটা কেন্দ্ৰীকৃত ৰচিদ আৰু প্ৰক্ৰিয়াকৰণ কেন্দ্ৰ স্থাপন কৰা হৈছে।
- আঁচনিখনে বৰ্জনৰ এখন নিৰ্দিষ্ট তালিকাসহ "সেৱাত থকা ত্ৰুটিক" অভিযোগ দাখিলৰ এটা আধাৰ হিচাপে গণ্য কৰে।
- এই আঁচনিৰ অধীনত এক অভিযোগ দাখিল কৰিব পাৰি:
  - যদি অভিযোগকাৰীয়ে সংশ্লিষ্ট নিয়ন্ত্ৰিত প্ৰতিষ্ঠানলৈ লিখিত অভিযোগ দিয়ে আৰু অভিযোগটো বেংকে সম্পূৰ্ণৰূপে বা আংশিকভাৱে নাকচ কৰিছে, আৰু অভিযোগকাৰীয়ে উত্তৰটোত সন্তুষ্ট নহয় বা
  - বেংকে অভিযোগ দাখিল কৰাৰ 30 দিনৰ ভিতৰত অভিযোগকাৰীয়ে কোনো উত্তৰ লাভ নকৰে
- অভিযোগকাৰীয়ে বেংকৰ পৰা উত্তৰ পোৱাৰ পিছত এবছৰৰ ভিতৰত বা য'ত কোনো উত্তৰ নাপায়, অভিযোগৰ তাৰিখৰ পৰা এবছৰ আৰু 30 দিনৰ ভিতৰত অভিযোগ পুনৰ দাখিল কৰিব পাৰে।
- তলৰ বিষয়সমূহৰ সম্পৰ্কে এই আঁচনিৰ অধীনত বেংকিং অম্বুডছমেন্টৰ ওচৰত কোনো অভিযোগ দাখিল কৰিব নোৱাৰিব
  - ইতিমধ্যে অম্বুডছমেন্টৰ ওচৰত বিচাৰাধীন হৈ থকা বা অম্বুডছমেন্টৰ দ্বাৰা নিষ্পত্তি কৰা বা যোগ্যতাৰ ওপৰত নিষ্পত্তি কৰা একেটা কাৰ্য্যৰ কাৰণ সম্বন্ধে অভিযোগ
  - কোনো আদালত, ন্যায়াধিকৰণ বা মধ্যস্থতাকাৰী বা অন্য কোনো মঞ্চ বা কৰ্তৃপক্ষৰ সন্মুখত বিচাৰাধীন; বা, কোনো আদালত, ন্যায়াধিকৰণ বা মধ্যস্থতাকাৰী বা অন্য কোনো মঞ্চ বা কৰ্তৃপক্ষৰ দ্বাৰা যোগ্যতাৰ ওপৰত নিষ্পত্তি বা লেনদেন কৰা।
- অনলাইনযোগে অভিযোগ দাখিল কৰি থাকিব পাৰিব https://cms.rbi.org.in অভিযোগসমূহ নিৰ্দিষ্ট ই-মেইল crpc@rbi.org.in যোগেদিও দাখিল কৰিব পাৰিব বা ভৌতিক ৰূপত ভাৰতীয় ৰিজাৰ্ভ বেংক, চতুৰ্থ মহলা, ছেক্টৰ 17, চণ্ডীগড় – 160017ত স্থাপন কৰা 'কেন্দ্ৰীয়কৃত ৰচিদ আৰু প্ৰক্ৰিয়াকৰণ কেন্দ্ৰ'লৈ নিৰ্ধাৰিত ফৰ্মেটত প্ৰেৰণ কৰিব পাৰিব। ইয়াৰ উপৰিও টোল ফ্ৰী নম্বৰ -14448 ৰ সৈতে এটা যোগাযোগ কেন্দ্ৰ আছে।
- আৰবিআইৰ(RBI) দ্বাৰা নিৰ্ধাৰিত ফৰ্মেটত গ্ৰাহকে অভিযোগ দিব পাৰে।
- অধিক বিৱৰণৰ বাবে আঁচনিখনৰ প্ৰতিলিপি শাখাত আৰু আৰ বি আইৰ (RBI) ৱেবছাইটত আৰু চি এম এছ (CMS) পৰ্টেলত (https://cms.rbi.org.in) উপলব্ধ হ'ব।

আৰবিএল বেংক

শাখা প্ৰবন্ধক

Copyright RBL Bank Ltd.